# বিকালী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

'আমাৰ অসম'ৰ ধূপধৰাৰ প্ৰতিবেদক, ৯ জানুৱাৰী ঃ গোৱালপাৰা জিলাৰ পুব প্ৰান্তত অৱস্থিত ধূপধৰা অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান বিকালী মহাবিদ্যালয়ৰ ২০২২-২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন শনিবাৰে অনুষ্ঠিত হৈ যায়। পুৱা ৮.৩০ বজাৰ পৰা ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈ আবেলি ২ বজাৰ পৰা ভোট গণনা আৰম্ভ কৰি বিয়লি ৫ বজাত ফলাফল ঘোষণা কৰা হয়। মহাবিদ্যালয়খনত মুঠ ১১টাকৈ পদৰ বাবে অনুষ্ঠিত নিৰ্বাচনৰ ভোট গণনাৰ ফলাফল অনুসৰি সভাপতি, উপ-সভাপতি, আলোচনী সম্পাদক, সমাজসেৱা সম্পাদকসহ ৪টা পদত বিনাপ্ৰতিদ্বন্দ্বিতাৰে আৰু ৬টা পদত প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ উপৰি ছাত্ৰী জিৰণী কোঠাৰ পদটো অনিৰ্বাচিত হৈ ৰয়। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত মুঠ তিনিজন প্ৰাৰ্থীৰ ভিতৰত ড্ৰীমজিত ৰাভাই নিকটতম প্ৰতিদ্বন্দ্বী সৌৰভজ্যোতি ৰাভাক ১৭৯টা ভোটৰ ব্যৱধানত পৰাস্ত কৰি জয়ী হয়। ইফালে আন আন পদত ক্ৰমে অনুপম ৰয় (সহকাৰী সাধাৰণ সম্পাদক), ধৃতিসীমা ৰাভা (সাংস্কৃতিক সম্পাদক), বিশাল দাস (গুৰু খেল সম্পাদক), সুব্ৰজিত ৰাভা (লঘু খেল সম্পাদক) আৰু সুমন কুমাৰ (ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক) নিৰ্বাচিত হয়।